জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

বছৰ । ৩৩৮ সংখ্যা, ৩২ আহাৰ, শুকুৰবাৰ, ১৯৪৮ শক । DAINIK ASAM : Assamese Daily । VOL. 61 NO. 338 । DIBRUGARH, FRIDAY, JULY 17, 2026 । পৃষ্ঠা ১৬ (Pages

যুৱ
াগৰ
পিক
ৱাল
গ্ৰামী
াঠক



ৰিষদৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি শইকীয়া সোণোৱালৰ স্মৃতিত এই ইত ডিব্ৰুগড়ৰ কেতেকী হোটেলৰ ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিভিন্ন জাতীয়-াস্থিতিত বঁটাটো প্ৰদান কৰা হ'ব। ৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা সভাপতি টংকেশ্বৰ সোণোৱালৰ াঁটা প্ৰদান কৰা হ'ব।

## কানৈ মহাবিদ্যালয়ত প্ৰাণচঞ্চল প্ৰথম দিন

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**ডিব্ৰুগড়, ১৬ জুলাই ঃ** তোমালোক আজিৰ পৰা কেৱল এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়েই নহয়, তোমালোক এই ঐতিহ্যমণ্ডিত প্ৰতিষ্ঠানটোৰ গৌৰৱোজ্জ্বল ইতিহাসৰ একো একোটা নতুন পৃষ্ঠা। তোমালোকৰ প্ৰতিটো খোজতে প্ৰতিধ্বনিত হওক মহাবিদ্যালয়খনৰ কাষেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ দৰেই অবাধ গতি আৰু জ্ঞানৰ অপ্ৰতিৰোধ্য হেঁপাহ। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰেণী শুভাৰম্ভ অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। অধ্যক্ষগৰাকীয়ে কয়— তোমালোক ইয়ালৈ কেৱল ডিগ্ৰী গ্ৰহণৰ বাবে অহা নাই, তোমালোক জীৱন গঢ়িবলৈ ইয়ালৈ আহিছা। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেওঁ পুনৰ কয়— কেৱল ডিগ্ৰী লাভতেই সীমাবদ্ধ নাথাকি, প্ৰকৃতি আৰু সমাজৰ প্ৰতি দায়বদ্ধ হ'লেহে সমাজ সুন্দৰ হ'ব। পুৱা ৯ বজাত প্ৰতিটো বিভাগৰ তৰফৰ পৰা নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ হাতেৰে একোটাকৈ মহানিমৰ পুলি ৰোপণ কৰি শুভাৰম্ভ হোৱা অনুষ্ঠানত অধ্যক্ষগৰাকীয়ে কয়— শ্ৰেণী শুভাৰম্ভ অনুষ্ঠানৰ উদ্দেশ্য হ'ল মহাবিদ্যালয়ৰ নিয়ম-শৃংখলা, পৰিৱেশ, পাঠ্যক্ৰম, পৰীক্ষা আৰু শৈক্ষিক সংস্কাৰৰ স'তে শিক্ষাৰ্থীসকলক হৃদয়স্পৰ্শী কৰি তোলা। মহাবিদ্যালয়খনৰ ইতিহাস সম্পৰ্কেও অধ্যক্ষগৰাকীয়ে বিৱৰি কয়। উল্লেখ্য যে অতি ব্যতিক্ৰমী, উদ্ভাৱনীমূলকভাৱে আজি এই শ্ৰেণী শুভাৰম্ভ কৰা অনুষ্ঠানত নতুন শিক্ষাৰ্থীসকলক 'মই আজিৰ পৰা কানৈয়ান হ'লোঁ, কানৈয়ান হিচাপে গৌৰৱবোধ কৰিছোঁ' শীৰ্ষক এক ছেলফি পইণ্ট তৈয়াৰ কৰি সকলোকে ফটো গ্ৰহণ কৰাৰ লগতে শপত বাক্য পাঠ কৰোৱা হয়।



মাজু

নৃত্যৰ প্ৰ

মণ্ডৰ

## চাহ শ্ৰমিকৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা আটিছাৰ